# ব্যৱহাৰিক সাহিত্য
# FYUGP-ASM2103SE

প্ৰশ্ন ঃ অনুবাদ মানে কি?
উত্তৰ ঃ বক্তব্যক এটা ভাষাৰ পৰা আন এটা ভাষালৈ ৰূপান্তৰ কৰা কাৰ্যকে অনুবাদ বোলে।
প্ৰশ্ন ঃ উৎস ভাষা কি?
উত্তৰ ঃ যিটো মূল ভাষাৰ পৰা অনুবাদ কৰা হয়, সেই ভাষাটোকে উৎস ভাষা বোলে।
প্ৰশ্ন ঃ লক্ষ্য ভাষা কি?
উত্তৰ ঃ যিটো ভাষালৈ অনুবাদ কৰা হয়, সেই ভাষাটোকে লক্ষ্য ভাষা বোলে।
প্ৰশ্ন ঃ অনুবাদ কেই প্ৰকাৰৰ আৰু কি কি?
উত্তৰ ঃ অনুবাদৰ প্ৰকাৰ চাৰিটা। আক্ষৰিক অনুবাদ, ভাৱানুবাদ, মুক্ত অনুবাদ আৰু যান্ত্ৰিক অনুবাদ।
প্ৰশ্ন ঃ আক্ষৰিক অনুবাদ কি?
উত্তৰ ঃ মূল ভাষাৰ প্ৰতিটো শব্দৰ হুবহু অনুবাদকে আক্ষৰিক অনুবাদ বোলে।
প্ৰশ্ন ঃ ভাৱানুবাদ কি?
উত্তৰ ঃ মূল বক্তব্যৰ ভাবৰ অনুবাদকে ভাৱানুবাদ বোলে।
প্ৰশ্ন ঃ মুক্ত অনুবাদ কি?
উত্তৰ ঃ ব্যাকৰণ আৰু শব্দৰ কঠিন বান্ধোন নৰখাকৈ কৰা অনুবাদকে মুক্ত অনুবাদ বোলে।
প্ৰশ্ন ঃ যান্ত্ৰিক অনুবাদ কাক বোলে?
উত্তৰ ঃ কম্পিউটাৰ বা চফ্টৱেৰৰ সহায়ত কৰা অনুবাদক যান্ত্ৰিক অনুবাদ বোলে।
প্ৰশ্ন ঃ বিজ্ঞাপন মানে কি?
উত্তৰ ঃ এবিধ প্ৰচাৰ মাধ্যম।
প্ৰশ্ন ঃ বিজ্ঞাপনৰ মূল উদ্দেশ্য কি?
উত্তৰ ঃ সামগ্ৰী বা কোনো বিষয় সম্বন্ধে জনসাধাৰণৰ মাজত প্ৰচাৰ কৰা।
প্ৰশ্ন ঃ বিজ্ঞাপনৰ ভাষা কেনেকুৱা হ'ব লাগে?
উত্তৰ ঃ চমু, সৰল আৰু স্পষ্ট হ'ব লাগে।
প্ৰশ্ন ঃ বিজ্ঞাপনৰ শ্ৰব্য মাধ্যম এটাৰ উদাহৰণ দিয়া।
উত্তৰ ঃ ৰেডিঅ'
প্ৰশ্ন ঃ বিজ্ঞাপনৰ দৃশ্য-শ্ৰব্য মাধ্যম এটাৰ উদাহৰণ দিয়া।
উত্তৰ ঃ দূৰদৰ্শন
প্ৰশ্ন ঃ ছপা মাধ্যম এটাৰ উদাহৰণ দিয়া।
উত্তৰ ঃ বাতৰি কাকত
প্ৰশ্ন ঃ বৰ্তমান বিজ্ঞাপনৰ আটাইতকৈ জনপ্ৰিয় মাধ্যম কি?
উত্তৰ ঃ ডিজিটেল বা ছ'চিয়েল মিডিয়া।
প্ৰশ্ন ঃ সাহিত্য আৰু সমালোচনাৰ মাজত থকা পাৰ্থক্য কি?
উত্তৰ ঃ সাহিত্য মৌলিক সৃষ্টি আৰু সমালোচনা সেই সৃষ্টিৰ বিশ্লেষণ।
প্ৰশ্ন ঃ দুজন প্ৰাচ্য সমালোচকৰ নাম লিখা।
উত্তৰ ঃ আচাৰ্য কুন্তক আৰু আচাৰ্য আনন্দবৰ্ধন।
প্ৰশ্ন ঃ দুজন পাশ্চাত্য সমালোচকৰ নাম লিখা।
উত্তৰ ঃ প্লেটো আৰু এৰিষ্ট'টল।
প্ৰশ্ন ঃ সমালোচনাৰ দুটা পদ্ধতিৰ নাম লিখা
উত্তৰ ঃ ঐতিহাসিক সমালোচনা আৰু নব্য সমালোচনা।
প্ৰশ্ন ঃ চিত্ৰনাট্যৰ মূল উপাদান কেইটা আৰু কি কি?
উত্তৰ ঃ তিনিটা। কাহিনী, চৰিত্ৰ আৰু সংলাপ